NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 11-**10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতৰ এক ইষ্ট নীতিয়ে আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে থকা সম্পৰ্কক নতুন গতি আৰু দিশ প্ৰদান কৰিছে।

২। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে আজি নতুন দিল্লীত টেলি-মানস এপ আৰু ভিডিঅ' কলৰ সুবিধা মুকলি কৰে।

৩। প্ৰসিদ্ধ উদ্যোগপতি ৰতন টাটাৰ শেষকৃত্য আজি মুম্বাইৰ ৱৰ্লিত সম্পন্ন কৰা হয়।

৪। দক্ষিণ কোৰিয়াৰ লেখিকা হান কাঙলৈ ২০২৪ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। ২২টাকৈ গ্ৰেণ্ডশ্লেম ছিংগলছ খিতাপ দখল কৰা স্পেইনৰ আগশাৰীৰ টেনিছ খেলুৱৈ ৰাফেল নাডালে পেছাদাৰী টেনিছৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লাওৰ ৰাজধানী ভিয়েণ্টিয়ানত হ'বলগীয়া উনবিংশ পূব এছিয়া শীৰ্ষ সন্মিলনত ভাগ ল'ব। বিশ্বৰ আগশাৰীৰ নেতাসকলৰ এই মঞ্চই অঞ্চলটোত কৌশলগত আস্থাৰ বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত অৱদান আগবঢ়ায় আৰু অংশগ্ৰহণকাৰী ৰাষ্ট্ৰসমূহক আঞ্চলিক গুৰুত্বৰ বিভিন্ন বিষয় লৈ মত-বিনিময়ৰ সুযোগ প্ৰদান কৰে। পূব এছিয়া শীৰ্ষ সন্মিলনত ১০খন আছিয়ান ৰাষ্ট্ৰৰ উপৰি আঠখন অংশগ্ৰহণকাৰী দেশ ক্ৰমে অষ্ট্ৰেলিয়া, চীন, ভাৰত, জাপান, দক্ষিণ কোৰিয়া, নিউজিলেণ্ড, ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ অন্তৰ্ভুক্ত। টিমোৰ লেষ্টেই এইবেলি পৰ্যবেক্ষক দেশ হিচাপে সন্মিলনত ভাগ ল'ব। অঞ্চলটোত শান্তি, সুস্থিৰতা আৰু সমৃদ্ধি বৰ্তাই ৰখাৰ এই ব্যৱস্থা ২০০৫ চনৰে পৰা কাৰ্যকৰী হৈ আছে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি সন্মিলনৰ আপাহতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে লাও গণতান্ত্ৰিক গণৰাজ্যৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিব। শ্ৰীমোদীয়ে কালি ভিয়েণ্টিয়ানত অনুষ্ঠিত একবিংশ আছিয়ান ভাৰত শীৰ্ষ সন্মিলনক সম্বোধন কৰে।

তেওঁ কয় যে, ভাৰতৰ এক ইষ্ট নীতিয়ে আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে থকা সম্পৰ্কক নতুন গতি আৰু দিশ প্ৰদান কৰিছে। তেওঁ লগতে একবিংশ শতিকা ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে ভাৰত আৰু আছিয়ান দেশসমূহ শান্তিপ্ৰিয় ৰাষ্ট্ৰ আৰু তেওঁলোকে পৰস্পৰৰ ৰাষ্ট্ৰীয় অখণ্ডতা আৰু সাৰ্বভৌমত্বক সন্মান কৰে। শ্ৰী মোদীয়ে কয় যে, বিশ্বৰ বিভিন্ন অংশ সংঘৰ্ষ আৰু উত্তেজনাৰ সন্মুখীন হোৱাৰ সময়ত ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ মাজৰ মিত্ৰতা-সহযোগিতা, আলাপ-আলোচনা আৰু অংশীদাৰিত্ব গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে।

-বাইট-

০০০০০০০

গ্ৰামাঞ্চলৰ পৰিয়ালসমূহৰ আয় ২০১৬-১৭ বৰ্ষৰ তুলনাত ২০২১-২২ বৰ্ষত ৫৭ শতাংশ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক, নাবাৰ্ডৰ সৰ্বভাৰতীয় গ্ৰাম্য বিত্তীয় অন্তৰ্ভুক্তি জৰীপ অনুসৰি গ্ৰামাঞ্চলৰ পৰিয়ালসমূহৰ গড় মাহিলী আয় ২০২১-২২ বৰ্ষত ২০১৬-১৭ বৰ্ষৰ ৮ হাজাৰ ৫৯ টকাৰ পৰা ১২ হাজাৰ ৬৯৮ টকালৈ বৃদ্ধি পাইছে। একেদৰে পৰিয়ালসমূহৰ গড় মাহিলী ব্যয়ো ৬ হাজাৰ ৬০০ টকাৰ পৰা ১১ হাজাৰ ২০০ টকাৰো অধিক হৈছে। জৰীপ অনুসৰি এই সময়ছোৱাত গড় সঞ্চয়ো প্ৰায় ৯ হাজাৰ ১০০ টকাৰ পৰা ১৩ হাজাৰ ২০০ টকালৈ বৃদ্ধি পাইছে। প্ৰায় ৬৬ শতাংশ পৰিয়ালৰ সঞ্চয় ২০১৬-১৭ বৰ্ষৰ তুলনাত ২০২১-২২ বৰ্ষত ৫০ দশমিক ৬ শতাংশ বৃদ্ধি হৈছে।

গ্ৰামাঞ্চলৰ পৰিয়ালসমূহৰ মাজত বীমাৰ সুবিধা গ্ৰহণ কৰা পৰিয়ালৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। জৰীপৰ তথ্য অনুসৰি কমেও এগৰাকী সদস্যই বীমাৰ সুবিধা গ্ৰহণ কৰা পৰিয়ালৰ অনুপাত ২৫ দশমিক ৫ শতাংশৰ পৰা ৮০ শতাংশৰো অধিক হৈছে।

নাবাৰ্ডৰ জৰীপত লগতে গ্ৰামাঞ্চলৰ খেতিয়কসকলক বিত্তীয় ব্যৱস্থাত সামৰি লোৱাৰ ক্ষেত্ৰত কিষাণ ক্ৰেডিট কাৰ্ডৰ ফলপ্ৰসূতাৰ বিষয়ে আলোকপাত কৰা হৈছে। পেন্সন ব্যৱস্থাত সামৰি লোৱা পৰিয়ালৰ সংখ্যাও প্ৰায় ১৯ শতাংশৰ পৰা ২৩ দশমিক ৫ শতাংশলৈ বৃদ্ধি পাইছে বুলি জৰীপত উল্লেখ কৰা হৈছে। ইয়াৰ বিপৰীতে এই সময়ছোৱাত বকেয়া ঋণৰ অনুপাত ২০১৬-১৭ বৰ্ষৰ প্ৰায় ৪৭ শতাংশৰ পৰা ৫২ শতাংশলৈ বৃদ্ধি পাইছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুৰ্গা পূজা উপলক্ষে দেশ-বিদেশৰ জনসাধাৰণক ওলগ জনাইছে। শ্ৰীমুৰ্মুৱে তেওঁৰ বাৰ্তাত কৈছে যে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় আৰু সাহসৰ প্ৰতীক হিচাপে দুৰ্গা পূজা পালন কৰা হয়। তেওঁ কয় যে এই উৎসৱ, দেৱী দুৰ্গাৰ প্ৰতি পূৰ্ণ সমৰ্পন তথা সকলো ধৰ্মৰ মাজত একতা আৰু সম্প্ৰীতি প্ৰসাৰৰ এটা উপলক্ষ্য। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে মহিলাসকলে উচিত সন্মান আৰু আদৰ লাভ কৰিব পৰা এখন সংবেদনশীল আৰু সমতাপূৰ্ণ সমাজ গঢ়ি তুলিবলৈ দেৱী দুৰ্গাৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

০০০০০০০

বিশ্বৰ বিভিন্ন অংশত আজি আন্তঃৰাষ্ট্ৰীয় শিশু কন্যা দিৱস পালন কৰা হৈছে। ছোৱালীসকলৰ লিংগ সমতা, শিক্ষা আৰু সুযোগৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি এই দিৱস পালন কৰা হয়। এই বছৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে ভৱিষ্যতৰ বাবে ছোৱালীসকলৰ দৃষ্টিভংগী।

০০০০০০০

ভাৰত আৰু আছিয়ান দেশসমূহে সাৰ্বজনীনভাৱে স্বীকৃত আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি শান্তি, সুস্থিৰতা আৰু সামুদ্ৰিক সুৰক্ষাৰ লগতে শান্তিপূৰ্ণভাৱে বিবাদ মীমাংসাৰ ক্ষেত্ৰত সহমত আগবঢ়াইছে। আছিয়ান-ভাৰত কৌশলগত অংশীদাৰিত্ব শক্তি কৰাৰ বাবে ভাৰত আৰু আছিয়ান দেশৰ নেতৃত্বৰে এখন যুটীয়া প্ৰতিবেদনত প্ৰকাশ কৰা অনুসৰি দক্ষিণ চীন সাগৰত দুয়োপক্ষৰ আচৰণ আৰু কাৰ্যকৰী ৰূপায়ণ সম্পূৰ্ণৰূপে দক্ষিণ চীন

সাগৰত কাৰ্যকৰী আৰু গুৰুত্বপূৰ্ণ আচৰণবিধিৰ আগতীয়া সমাপ্তিৰ বাবে আশা প্ৰকাশ কৰিছে। দুয়োপক্ষই সন্মিলিত সুৰক্ষা, চাইবাৰ সুৰক্ষা, আন্তঃৰাষ্ট্ৰীয় অপৰাধ, প্ৰতিৰক্ষা উদ্যোগ, মানৱীয় সহায়তা আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ লগতে আত্মবিশ্বাস বৃদ্ধি আৰু সন্ত্ৰাসবাদ বিৰোধী কাৰ্যত এই সহমত চুক্তি সহায়ক হ'ব বুলি যুটীয়া প্ৰতিবেদনখনত প্ৰকাশ কৰে।

০০০০০০০

ৱেষ্ট ইণ্ডিজে যোৱা নিশা ইউ এ ইৰ শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত বাংলাদেশক ৮ উইকেটত পৰাস্ত কৰে। বাংলাদেশে খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১০৩ ৰাণ সংগ্ৰহ কৰে। বাংলাদেশৰ হৈ অধিনায়ক নিগাৰ চুলতানাই ৪৪টা বলত ৩৯ ৰাণ সংগ্ৰহ কৰে। ৱেষ্ট ইণ্ডিজৰ কৰিশ্মা ৰামহাৰেকে চাৰিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ১৩ অভাৰ ৫টা বলত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ৱেষ্ট ইণ্ডিজৰ অধিনায়ক মেথিউজ আৰু ষ্টেফনি টেইলৰে অপেনিং যুটীত মাত্ৰ ৭ অভাৰ আৰু তিনিটা বলত ৫২ ৰাণ সংগ্ৰহ কৰি দলৰ জয় নিশ্চিত কৰে। ৰামহাৰেক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়। ৱেষ্ট ইণ্ডিজ এই জয়ৰ সুবাদত ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ সম্ভাৱনা নিশ্চিত হৈ পৰিছে।

প্ৰতিযোগিতাত আজি ডুবাইত হ'বলগীয়া গ্ৰুপ এৰ এখন খেলত অষ্ট্ৰেলিয়াই পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

ভাৰতৰ জীৱন নেডুচাঝিয়ান আৰু বিজয় সুন্দৰ প্ৰশান্তই ভেলেন্সিয়া অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। জীৱন আৰু বিজয়ৰ যুটীটোৱে কালি স্পেইনৰ ভেলেন্সিয়াত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত ৰোমানিয়াৰ মিৰ্চিয়া আলেকজেন্দ্ৰু জেকন আৰু বেলাৰুচৰ ইভান লীঅ'টাৰেভিচৰ যুটীটোক ৬-০, ৬-২ পোনপটীয়া ছেটত পৰাস্ত কৰে। চতুৰ্থ বাছনিপ্ৰাপ্ত ভাৰতীয় যুটীটোৱে আজি বিয়লি ছেমি ফাইনেলত পোলেণ্ডৰ পিঅ'ট্ৰো আৰু কৰোল ড্ৰেজেৱিক্কিৰ সন্মুখীন হ'ব।

০০০০০০০

সমাপ্ত